গল্প

# সৰস্বতী গোসাঁনীৰ বস্ত্ৰ হৰণ



◈ অৰুণ গোস্বামী

কেইজনমানে হুলস্থুল লগালত মানুহবোৰ লাহে লাহে সেই আঁহত জোপাৰ তলৰ পৰা যোৱাৰ কাৰবাৰ কৰিছিল। বিশেষকৈ মহিলাসকল আগবাঢ়িল কাৰণ মাটিৰ মূৰ্তি হ'লেও উন্মুক্ত বুকুখনৰ ওপৰত প্ৰতিমা হ'লেও পুৰুষবোৰে চকু থৰ কৰি যোৱা দেখি বুঢ়ীবোৰে অস্বস্তিবোধ কৰিছিল। থিক তেনেতে দুজনমানৰ চকু পৰিল পথাৰখনত। কুকুৰ কেইটামানে কিবা এটা টনা-আজোৰা কৰি আছে।

**দুটা** উপমা দিব পাৰি দৃশ্যটোৰ লগত। মৰা মাখি এটাৰ ওপৰত চাৰিওফালৰ পৰা পৰুৱাবোৰ আহি যেনেদৰে আবৰি ধৰেহি তেনেদৰে বা আৰু এটা উপমা দিব পাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় এখনৰ পানী খোৱা ছুটীত সন্মুখৰ ফিল্ডখনত আঘৰী এটাই পেপাটো বজাই সাপৰ খেল দেখুৱালে যেনেকৈ চাৰিওফালেৰ পৰা ল'ৰা-ছোৱালীবোৰে হাউচ মাৰি আগুৰি ধৰি গোট খাব থিক তেনেদৰেই প্ৰথমতে কেইজনমান আৰু মুহূৰ্ততে মানে পোন্ধৰ বিশ মিনিটৰ ভিতৰত বহুত মানুহ গোট খালেহি প্ৰকাণ্ড আহঁত গছজোপাৰ চাৰিওফালে। প্ৰশ্ন হ'ব বোলে ফাগুন মহীয়া ঠাণ্ডাত পুৱা পাঁচ চাৰে পাঁচ বজাতনো ইমানবোৰ মানুহ কেনেকৈ গোট খালেহি বা কোনে ঘৰে ঘৰে খবৰ দিলে আহিবলৈ? যিকোনো এখন ৰাজহুৱা সভা শীত-তাপ নিয়ন্ত্ৰিত আধুনিক হল এটাত পাতিলেও, এসপ্তাহৰ আগৰ পৰা মাইক্ৰফোনযোগে গছৰ পাত সৰাকৈ চিঞৰি চিঞৰি ঘোষণা কৰিলেও আৰু ব্যক্তিগতভাৱে চিঠি দিলেও মানুহ গোট নাখায়, সমুখৰ আসন চাৰিশাৰীয়েই ভৰ্তি নহয় অথত ফাগুল মহীয়া পুৱা ষ্টেট্ ট্ৰেন্সপৰ্ট ষ্টেচনৰ সমুখত পুৱা পাঁচ চাৰে পাঁচ বজাতে গুৰৰ লডাত পৰুৱা গোট খোৱাদি অত প্ৰজা। প্ৰশ্ন হ'বই। এই সন্দেহ কৰা প্ৰশ্নটো হ'ব কিন্তু আজিকালি পিছপৰা ভিতৰুৱা গাঁৱতহে য'ত শতকৰা আশীজন মানুহ ভিকহু বা ভিক্ষাৰী। মহানগৰ, নগৰ আনকি নগৰৰ সমীপৰ গাঁওবোৰত এই পুৱা পোহৰ হওঁ নহওঁতে ইমান মানুহ ক'ৰ পৰা গোট খালে, গোট খোৱাটো সম্ভৱ নহয় ইমান ঠাণ্ডাত এনে প্ৰশ্ন নহয় মানে কোনেও নকৰে। শাওন মহীয়া দোকোল টকা ব্ৰহ্মপুত্ৰৰ পাৰত বৈ জানো কোনোবা মানুহে প্ৰশ্ন কৰে বোলে ইমান পানীনো ক'ৰ পৰা আহিল—, নকৰে , কিন্তু প্ৰশ্ন হ'লহেঁতেন যদিহে ধাৰাসাৰে বৰষুণ হৈ থাকোতেও নদীখনত পানী নহ'লহেঁতেন তেতিয়াহে বোলে আঠ-দহ দিন ছেদ্ভেদ্ নোহোৱাকৈ বৰষুণ হওঁ হওঁ নদীখনত পানী নাই দেখোন—, কি হৈছে, থিক তেনেকৈ এই ডাঙৰ নগৰখনত ষ্টেট্ ট্ৰেন্সপৰ্ট ষ্টেচনৰ সমুখৰ প্ৰকাণ্ড আহঁত গছজোপাৰ ওচৰত মানুহ গোট নোখোৱা হ'লেহে প্ৰশ্ন হ'লহেঁতেন বোলে এনেকুৱা দৃশ্যতো মানুহ নাই দেখোন। কাৰণ আজিকালি নগৰবোৰত আনকি নগৰৰ সমীপৰ গাঁও বা অলপ অৱস্থাপন্ন গাঁওবোৰত দুটা সুলভ দৃশ্য পোৱা যায়। এটা হ'ল প্ৰাতঃ ভ্ৰমণ কৰা জাক জাক মানুহ আৰু ইটো হ'ল চাইকেল, মটৰ চাইকেল, স্কুটাৰ, গাড়ীত টিউশ্বন কৰিবলৈ প্ৰাইভেট টিউটৰৰ ওচৰলৈ যোৱা শ শ ছাত্ৰ-ছাত্ৰী।

ষ্টেট ট্ৰেন্সপৰ্ট ষ্টেচনৰ সমুখৰ আহঁত গছজোপাৰ চাৰিওফালে পুৱা চাৰে পাঁচ বজাতে কেবাশ মানুহে ৰ'লহি আৰু যে আহি আছে সেয়া এই প্ৰাতঃ ভ্ৰমণলৈ যোৱা মানুহ আৰু টিউশ্বন কৰিবলৈ যোৱা ল'ৰা-ছোৱালীহে। তাৰ লগতে আৰু কিছুমান মানুহ আহি গোট খালেহি সেইসকল প্ৰাতঃ ভ্ৰমণ অথবা টিউশ্বনলৈ যোৱা নহয় সেইসকল শৌছাচাৰ কৰিবলৈ দোকমোকালিতে ৰাস্তাৰ দাঁতিলৈ ৰে'ল লানিৰ দাঁতিলৈ যোৱা পুৰুষ-মহিলা আৰু শৌছাচাৰ কৰি মুখত দাঁতোন লৈ দাঁত ঘহি অহা মুনিহ, তিৰোতা আৰু ল'ৰা-ছোৱালী। পিছে মানুহ গোট খোৱা দেখি কিবা ধৰমজ্যোতি বা জ্ঞানজ্যোতিলৈ যোৱা মানুহ বুলি আৰু যাত্ৰাৰ আগতে দুই চাৰি পইচা দি দিনটোৰ বাবে যাত্ৰা শুভ হোৱাৰ কামনা কৰে বুলি আশা কৰি ভিক্ষাৰী কিছুমানো খৰখেদাকৈ আহি গোট খালেহি। পিছে সিহঁত হতাশ হ'ল কাৰণ গোট

গল্প

দৃশ্যটো প্ৰথমতে দেখিলে বা উদ্‌ঘাটন কৰিলে বুলি ক'ব পাৰি টিউশ্যন কৰিবলৈ যোৱা এহাল ল'ৰা-ছোৱালীয়েহে। যদিও সিহঁতৰ টিউটৰে ছয় বজাৰ পৰাহে প্ৰাইভেট ক্লাছ আৰম্ভ কৰে তথাচ সেই ল'ৰা-ছোৱালীহাল ঘৰৰ পৰা পাঁচ মান বজাতে দুখন চাইকেল লৈ ওলায়। সিহঁতৰ কথা আছে অৰ্থাৎ পুৱাই অহাৰ দৰকাৰ আছে। ঘৰত অৱশ্যে নাজানে চাগৈ। দুয়োটাৰে ঘৰ একেটা চুবুৰীতে। দুয়োটাই বি এ-ৰ পাৰ্ট-টুৰ পৰীক্ষা দিব। দুয়োটাৰে অৰ্থনীতিত মেজৰ আছে। দুয়োটাই বৰদলৈ প্ৰফেছৰৰ ঘৰত প্ৰথম বেট্‌ছৰ প্ৰাইভেট ক্লাছলৈ যায়। অহা যোৱা কৰোঁতে সিহঁতৰ ভাব হ'ল আৰু ইচ্ছাও হ'ল। সেয়েহে জাৰকালি সোনকালে অৰ্থাৎ ৰাতি সোনকালে নুপুৱাই ভাবে আন্ধাৰতে ওলাই আহে। ইটোৰ লগ সিটো বাবে ঘৰতো চিন্তা নকৰে। পিছে বাটত আহোতে আছুতীয়া ঠাই বিচাৰিফুৰে। ষ্টেট ট্ৰেন্সপৰ্টৰ বাৰাণ্ডাৰ লাইটৰ বাল্‌বটো প্ৰায়েই ফিউজ হৈ থাকে বাবে অফিচৰ পিছফালে ইউৰিনেলৰ লৈ যাবলৈ সুচল হয়। যায়। তাতে দুয়োটাই মৰম বা ক'ব পাৰি প্ৰেম বিনিময় কৰে। কিন্তু বাৰাণ্ডাৰ লাইটটো যদি জ্বলি থাকে তেতিয়া মনৰ আশা মনতে মাৰ নিয়াই ইফাল সিফাল কৰি ছয় বজাৰ আগে আগে টিউটৰ ছাৰৰ ঘৰ পায়গৈ। কেতিয়াবা তাতো প্ৰেম নিবেদনৰ সুবিধা হয় মানে ল'ৰাছোৱালীবোৰ অহা দেৰী কৰিলে ছাৰৰ ঘৰৰ কাষতে থকা আওহতীয়া ক্লাছৰুমটোত দহ-পোন্ধৰ মিনিটমান নিৰ্জনে থাকিব পাৰে ছাৰে গলখেকাৰী এটা মাৰি সোমাই নহালৈকে। এই দুৰ্লভ আৰু চিন্তনীয় আচহুৱা দৃশ্যটো সিহঁতহালেই প্ৰথম আৱিষ্কাৰ কৰিলে। সিহঁতহাল সেইখিনি পাওঁতে ছাৰে পাঁচমান বাজিছিল। ষ্টেচনৰ বাৰাণ্ডাৰ লাইটৰ বাল্‌বটো ফিউজ হোৱা নাছিল বাবে জ্বলি আছিল। আৰু সেই বাবেই চাইকেলৰ পৰা নামি সিহঁতে হতাশ মনেৰে ইফাল সিফাল কৰি আছিল। আৰু থিক তেনেকুৱাতে প্ৰকাণ্ড আহঁতজোপাৰ তলত ল'ৰাটোৱে দৃশ্যটো প্ৰথম দেখিলে। সি আগবাঢ়ি গৈ ওচৰত ৰ'লগৈ আৰু হাঁহি হাঁহি তাৰ সহপাঠী তথা প্ৰেমিকাক মাতিলে। তাৰ নাম সপোন কুমাৰ আৰু প্ৰেমিকাৰ নাম অনিন্দিতা।

ঃ এই অনি, অনি চোৱাহি চোৱাহি ,

ঃ কি? চাইকেলখন ষ্টেণ্ড কৰি অনিন্দিতা তাৰ ওচৰলৈ আহিল।

ঃ চোৱা।

ঃ কি?

ঃ সৰস্বতী গোসাঁনীৰ বুকুখন চোৱা , একেবাৰে তোমাৰ বুকুৰ দৰে।

ঃ যাঃ অসভ্য। সৰস্বতী গোসাঁনীৰ বুকুত চকু দিব পায়নে? পৰহি দেখোন পূজাত সেৱা কৰি নিৰ্মালি লৈছিলা?

ঃ লৈছিলো। কিন্তু ইমান ধুনীয়া বুকুখনলৈ তেতিয়াও চকু গৈছিল।

ঃ ধেৎ। তোমালোক ল'ৰাবোৰ বৰ অসভ্য দেই।

ঃ কথা এটা ভাবাচোন। এই যে মণিকৰে গোসাঁনীবোৰ বনায়, ইমান ধুনীয়াকৈ বুকুখন বনাওতে মাটিৰে বনালেও চাগৈ গাত মনত পিৰ্ পিৰনি উঠে। নুঠেনে বাৰু কি কোৱা?

ঃ নাজানো। তোমালোক অসভ্য ল'ৰাবোৰেহে জানিবা। কিন্তু ৰ'বাচোন এইজনী ক'ৰ গোসাঁনী আছিল বাৰু।

ঃ এইগৰাকী গোসাঁনী গাৰ্লছ কলেজৰ আকৌ। তাত দেখিছিলো। আৰু সেইবাবেই খনিকৰে গোসাঁনীজনী বেছি ধুনীয়াকৈ আৰু বুকুখন আৰু ধুনীয়াকৈ বনাইছে।

ঃ খালি বুকুখনৰ কথা।

ঃ ইমান ধুনীয়া বুকুখন কোনে নাচাবহে।

ঃ আচলতে কি হ'ল জানা? কালি বিসৰ্জনৰ দিনা গাৰ্লছ কলেজৰ গোসাঁনীজনা আনি এই গছৰ তলতেই থৈ দিলেহি।

ঃ হ'ব পাৰে হ'ব পাৰে। কিন্তু কথা এটা হ'ল নহয়!

ঃ ময়ো তাকে ক'ব খুজিছো। গাৰ্লছ কলেজৰ গোসাঁনীজনাৰ গাত ইমান ধুনীয়া দামী শাৰী এখন পিন্ধাই যোৱা আছিল।

ঃ অ' মই তাকে ক'ব খুজিছো ৰাতিটোৰ ভিতৰতে কোনে নিলে গোসাঁনীৰ গাৰ পৰা শাৰীখন?

ঃ সেইখন নিনো কি কৰিব? পিন্ধিবতো নোৱাৰে? গোসাঁনীৰ গাটো ঢাকিবলৈ যিমান দৰকাৰ সিমানহে দীঘল! কিন্তু বঙালী খনিকৰৰ আইডিয়া মানি ল'লো দেই মাটিৰ যদিও ইমান ধুনীয়াকৈ বুকুখন

ঃ ধেৎ। ব'লা মানুহ আহিছে।

মানুহ আহিলে হয়। বেলি ওলোৱাই নাই। কিন্তু সেইখিনিত ল'ৰা-ছোৱালী এহালে বহুত পৰ কথা পাতি থকা বাটৰ মানুহে জনা সুনাকৈ দেখিছিল। সিহঁতহাল যোৱাৰ পাছতেই একেলগে জোখ কাঢ়ি ফুৰা বুঢ়া-বুঢ়ী দহগৰাকীমান আগবাঢ়ি আহিল। সেইসকলৰ কাৰোৰে বয়স ৭৫ বছৰৰ তলত হ'ব নালাগে আৰু সম্ভৱতঃ আটাইকেউজনৰে হয় ৰক্তচাপ নহয় মধুমেহ ৰোগ আছে আৰু নিশ্চয় চিকিৎসকে আৰু ঘৰৰ খেচ্‌খেচনিত খোজ কাঢ়িবলৈ আহে, তাৰ ডাঙৰ প্ৰমাণটো হ'ল আটাইকেউজনেই কেৱল যেন কথা পাতিবলগীয়া হৈছে বাবেহে খোজ কাঢ়িবলগীয়া হৈছে থিক তেনেধৰণৰে লাহে লাহে খোজ কাঢ়িছে।

ঃ "অ' ল'ৰা-ছোৱালীহালে এইটো দৃশ্যকে চাই আছিল।" এজন বৃদ্ধাই ক'লে.

ঃ হেৰি সৰস্বতী পূজা কালি নাছিল জানো?

ঃ পৰহি আছিল। কালি বিসৰ্জন আছিল।

ঃ কিন্তু বিসৰ্জন নদীতহে দিয়ে প্ৰতিমাক?

ঃ নহয় নহয় আজিকালি দেখা নাই জানো আলিৰ কাষত গছৰ তলত, মুকলি টিকাত, জাবৰ-জোঠৰৰ ওপৰত মূৰ্তিবোৰ থৈ দিয়ে।

ঃ আপুনি থিক কথা কৈছে , ধুবুৰীৰ পৰা শদিয়ালৈকে ট্ৰাঙক ৰডৰ কাষত আপুনি পূজাৰ পৰিত্যক্ত প্ৰতিমাবোৰ দেখিব। নেদেকেনে?

ঃ কিয় কয়হে? কোনে নেদেখে। বিশ্বকৰ্মা পূজাৰ মূৰ্তি, কালী গোসাঁনীৰ প্ৰতিমা, লক্ষী গোসাঁনী, সৰস্বতী গোসাঁনী, গণেশ পূজা, চট পূজাৰে প্ৰতিমাবোৰ আজিকালি আলিৰ দাঁতিত বিসৰ্জন দিয়ে।

ঃ মাত্ৰ কাৰ প্ৰতিমা আলিৰ কাষত নাথাকে মন কৰিছেনে?

ঃ কাৰ প্ৰতিমা?

ঃ দুৰ্গা পূজাৰ আকৌ।

ঃ এ হয় , আপুনি বাৰু মন কৰিছে দেই। কিন্তু দুৰ্গা গোসাঁনীৰ প্ৰতিমানো কিয় নদীত পেলায় কথাটো জানিবলগীয়া।

ঃ কিটো জানিবলগীয়া আছে হেৰি। একেলগে ৭/৮ টা মূৰ্তি থ'বলৈ বহুত জেগা নালাগিবনে? থ'ব ক'ত?

ঃ আপুনি কি কয় কি ভাবে নাজানো মোক কিন্তু সেই দৃশ্যটোৱে বৰ আমনি কৰে।

ঃ নকৰিবনে হেৰি? কালিলৈকে পূজা কৰি সেৱা সৎকাৰ কৰিলে, নিৰ্মালি ল'লৈ আৰু আজি সেইখন প্ৰতিমাকে বাটৰ দাঁতিত বহুৱাই থ'লে, আৰু নকৈ কি বুইছেনে তেনেকুৱা প্ৰতিমাত কুকুৰে ঠেং ডাঙি মুতা মই নিজ চকুৰে দেখিছো। বিশ্বাস কৰিবনে?

ঃ আপুনিনো কিয় ভাবি ল'লে হেৰি তেনেবোৰ দৃশ্য আপুনিহে মাথোঁ দেখিছে বুলি? এতিয়া চাওক , পৰহি এইগৰাকী প্ৰতিমাক সুন্দৰকৈ স্থাপন কৰি পূজা কৰিলে দিনৰ দিনটো, নাম গালে, নৈবেদ্য দিলে, ধূপ-ধূনা জ্বলালে

ঃ ময়ো লগতে আৰু এটা বাক্য লগাই দিছো যে ছোৱালীবোৰে তিতা চুলি মেলি আহি গোসাঁনীৰ চৰণত অঞ্জলি দিলে

ঃ তেতিয়াহ'লে ময়ো এটা বাক্য লগাই দিওঁ যে মাটিৰ প্ৰতিমাত পানী ঢালিব নোৱাৰি বাবে আয়নাখনত সেই প্ৰতিমাৰ প্ৰতিবিম্ব প্ৰতিফলিত কৰি ডাঙৰ চৰীয়া এটাত আয়নাখনকে স্থাপন কৰি আয়নাখনকে পানী ঢালি, গাখীৰ ঢালি গোসাঁনীক স্নান কৰোৱাৰ কল্পনা কৰি

ঃ সেই পানীকে গোসাঁনীৰ পদজল বুলি বৰ ভক্তিৰে দুহাত পাতি এটোপালো মাটিত পৰিবলৈ নিদি ছাত্ৰ-ছাত্ৰীবোৰে সেৱনো কৰিলে আৰু শিৰতো মানে মূৰতো ল'লে

ঃ এতিয়া পৰহিৰ সেইগৰাকী গোসাঁনীকে ট্ৰাংক ৰডৰ কাষত এই আহঁত গছজোপাৰ তলত কালি বিসৰ্জন দি গুচি গ'ল।

ঃ সেই যে ট্ৰেন্সপৰ্ট ষ্টেচনৰ বাৰাণ্ডাত কুকুৰকেটা নেজ মোকোটাই শুই আছে, সেই চাহৰ দোকানখনৰ বাৰাণ্ডাত সেই চেৰেলা কুকুৰকেটা শুই আছে

ঃ এৰা, আমি বাৰু নিশ্চয়কৈ ভাবি ল'ব নোৱাৰিম নে যে ৰাতিৰ ৰাতিটো সেই কুকুৰকেটোই ঠেং ডাঙি ডাঙি এই প্ৰতিমাৰ গাত সৰুপানী ছোৱা বুলি?

ঃ এস সেইটো কথা ভাবিবলৈ নালাগে। পিছে এই প্ৰতিমাখনৰ পৰা শাৰীখন কোনে এৰুৱাই নিলে বাৰু ৰাতিটোৰ ভিতৰতে?

ঃ কিবা এখন মেৰাই দিব পৰা হ'লে প্ৰতিমাখনৰ গাত।

ঃ হেৰি। মই আপোনাক ফুচ ফুচাই কথা এটা কওঁ শুনক। বুঢ়ী হ'লেও তেখেত যে মহিলা সেইবাবে ইমানবোৰ মতা মানুহৰ আগত সৰস্বতী গোসাঁনীৰ উন্মুক্ত বুকুখনৰ বাবে তেখেতৰ নিশ্চয় লাজ লাগিছে।

ঃ কথাটো ময়ো মন কৰিলো আৰু সেই বাবেই মানুহগৰাকীয়ে কিবা এখনেৰে গোসাঁনীৰ গাটো মেৰাই দিবলৈ কৈছে।

ঃ কিন্তু কথাটো কি জানে? একে বয়সৰ মানুহ বাবে আপুনি-মই কথাটো পাতিব পাৰো যে সেই যে আমি দূৰৈৰ পৰাই দেখিছিলো ডেকা-গাভৰু ল'ৰা-ছোৱালী এহালে প্ৰতিমাখনলৈ আঙুলিয়াই হাঁহি ফিকিন্দালি কৰি আছিল।

ঃ ঠিকেই , আপুনি ঠিকেই ভাবিছে, সিহঁতে বিশেষকৈ ল'ৰাটোৱে নিশ্চয় গোসাঁনীৰ উন্মুক্ত এই বুকুখনক লৈয়েই ৰগৰ কৰিছিল নে কি কয়?

ঃ হয়। পিছে কথাটো শব্দ কৰি নাভাবিব কাৰণ বুঢ়ীকেইগৰাকীয়ে বেয়া পাব— যিমানেই যি নহওক নাৰীৰ মৰাৰ সময়লৈকে লাজ থাকেই।

দেখা গ'ল ষ্টেট ট্ৰেন্সপৰ্ট ষ্টেচনৰ সন্মুখৰ প্ৰকাণ্ড আহঁত জোপাৰ তলত নগ্ন সুন্দৰী সৰস্বতী গোসাঁনীৰ চাৰিওফালে এই সূৰুয নোলাওতেই মানুহ ভৰি পৰিল। খনিকৰজন কিন্তু নিপুন কাৰণ সৰস্বতীৰ চেহেৰা কল্পনা কৰি ইমান সুন্দৰকৈ ঠাৱিৰ দৰে ডিঙি, পদুমৰ এই ফুলো এই ফুলো হৈ থকাৰ দৰে সুগোল স্তন যুগল, বীনাত যোৱা আহঁত পাতৰ ঠুৰিৰ দৰে আঙুলি , খামুচীয়া ককাল, পকা আপেলৰ দৰে গোল মুখ , নিম পাতৰ দৰে বৈ পৰা চেলাউৰি , হাতীৰ শুৰৰ দৰে উৰুদ্বয় , পকা কমলাৰ ফুটাৰ দৰে ওঁঠ-আঃ অপূৰ্ব কল্পনা যেন খনিকৰজনে সৰস্বতীক মডেল কৰি লৈ মুখৰ আগত বহুৱাইহে চাই চাই, ছুই ছুই প্ৰতিমাখন সাজিছে। বয়সস্থ মানুহৰে ইমান সুন্দৰ প্ৰতিমা দেখিলে হৃদয়ত ৰোমাঞ্চ জাগে কলেজ-বিশ্ববিদ্যালয়ৰ যুৱক ছাত্ৰবোৰৰ বুকুত কামনাৰ বীনা নাবাজেনে? কিজানিবা এনেকুৱাও হ'ব নোৱাৰেনে যে তেনে কোনো কামনাৰ বশৱৰ্তী সৌন্দৰ্য তৃষ্ণাতুৰ যুৱকেই এইহেন সুন্দৰ সৰস্বতীৰ গাৰ পৰা শাৰীখন আঁতৰাই নগ্ন সৌন্দৰ্য পাণ কৰিব খুজিছিল আৰু সেই বাবেই শাৰীখন এৰুৱাই পেলালে। কিজানি ড্ৰাগ সেৱনকাৰী বা মদাহী কোনো যুৱকৰ কাম এয়া! হ'বতো পাৰে— , হ'বতো পাৰে। ড্ৰাগৰ প্ৰভাৱত এতিয়া যুৱক-যুৱতী যেনেদৰে আসক্ত পশু-পক্ষী, জন্তু-জানোৱাৰৰ একোটা ঋতু থাকে যদিও এইটো বৰ্তমানৰ প্ৰজাতিৰ তেনে একো নাই। নাচৎ এনেকুৱাও হ'ব পাৰে নেকি যে সৰস্বতী গোসাঁনীৰ প্ৰতিমাখন ইয়াত বিসৰ্জন দিয়াৰ পাছতো ওচৰতে থকা দুখীয়া পাণ দোকানীটোৱে ৰাতি ঘুমটি দোকানখন বন্ধ কৰি লাহেকৈ ছোৱালীজনীৰ দুপাট্টাৰ বাবে এৰুৱাই লৈ গ'ল। সম্ভৱ নহয়, সম্ভৱ নহয় , দুখীয়া মানুহৰ সকলোলৈকে ভয়। মাটিৰ পৰিত্যক্ত প্ৰতিমা হ'লেও সৰস্বতী গোসাঁনী লম্ভি আছে বুলিয়েই সেইসকলে ভাবিব। তেনেহ'লে?

ঃ মই আউটস্পকেন মানুহ বুইছে। আৰু সেইবাবে কমিছনাৰ থাকোতেও মন্ত্ৰীক মই কেয়াৰ কৰা নাছিলো। মন্ত্ৰীয়ে মাতিলেই মই অন্য আই এ এছৰ দৰে চেকুৰ লোৱা নাছিলো।

ঃ ৰ'বচোন ৰব, আপুনি 'আউটস্পকেন' মানুহ বুলি কৈ কি কথা ক'ব খুজিছে সেইটোকে কওক নহ'লে। মনত ৰাখিব আমি নাঙঠ সৰস্বতী গোসাঁনীৰ সন্মুখত আলোচনা কৰিছো।

ঃ মইতো তাকেই ক'ব খুজিছো , আপুনি গল্ড মেডেলিষ্ট আই পি এছ বুলি আমি জানো নহয় , এতিয়া বৃদ্ধ কালত জেৰা নকৰিব।

ঃ হ'ব হ'ব হেৰি, আপুনি কোন আই এ এছ কোন আই পি এছ সেইবোৰ কথা বাদ দি কি ক'ব খুজিছে সেইটো কওক। নহয়নে কি কয় আপোনালোকে?

ঃ আমি আচল কথালৈ অহাই ভাল। কওকচোন আপুনিনো কি ক'ব খুজিছে?

ঃ মকবুল ফিদা হুছেইন বোলা আৰ্টিষ্টটোৰ নাম আমি চবে জানো।

ঃ জানো।

ঃ তেওঁ যে নগ্ন সৰস্বতী, নগ্ন দুৰ্গা গোসাঁনী, নগ্ন লক্ষ্মী গোসাঁনীৰ ছবি আঁকি তোলপাৰ লগোৱাৰ কথা আমি নাজানোনে?

ঃ জানো, জানো। সেইবুলি আপুনি ক'ব খুজিছে নেকি যে নব্বৈ বছৰীয়া সেই বৃদ্ধই দিল্লীৰ পৰা আহি বা মানুহ লগাই সৰস্বতী গোসাঁনীক নাঙঠ কৰিছে?

ঃ কথাটো ক'বলৈ দিয়কহে। আপুনিও দেখোন থিয়ৰিষ্ট কমিউনিষ্টবোৰৰ দৰে কথা কৈছে!

ঃ ইয়াত আকৌ কমিউনিষ্টৰ কথা কিয় ওলাল?

ঃ নহয় নহয়, কমিউনিষ্ট মানে মই অসমৰ তত্ত্বসৰ্বস্ব অৰ্থাৎ কথাৰ কমিউনিষ্টবোৰৰ কথা কৈছো। কামৰ কমিউনিষ্টবোৰৰ কথা কোৱা নাই।

ঃ বুজি পাইছো, কিন্তু সৰস্বতী গোসাঁনীক নাঙঠ কৰাৰ সম্পৰ্কত ফিদা হুছেইনৰ কথাটো বাৰু প্ৰাসংগিক, কিন্তু কমিউনিষ্টৰ কথা যে

ঃ হেৰি, হেৰি আপোনালোকে যিহকে নকওক লাগে সকলোৱে শুনাকৈ ডাঙৰকৈ কওক। কাৰণ সৰস্বতী গোসাঁনীৰ বস্ত্ৰহৰণ কৰা কথাটো কম কথা নহয় যদিও মাটিৰ মূৰ্তি। ভাৰতত কথাটো গুৰুত্বপূৰ্ণ কিন্তু।

ঃ কথাবোৰ শুনিবলৈ আমি তেনেহ'লে কিছু হুলস্থুল কৰিব লাগিব।

ঃ হুলস্থুল হ'বই দিয়কছোন। সেয়া তেখেতে নক'লেনে সৰস্বতী গোসাঁনীৰ বস্ত্ৰহৰণ বুলি? এৰি দিবলগীয়া কথা নহয়।

ঃ আৰু মই সেইবাবেই কমিউনিষ্টৰ প্ৰসংগ আনিছো।

ঃ কওক তেনেহ'লে।

ঃ ছলমান ৰছিদ নামৰ লোকজনে উপন্যাসত অংকন কৰা কাল্পনিক চৰিত্ৰ এটাক কিছুমান মানুহে তেওঁলোকৰ ঈশ্বৰক চৈতান বুলি কৈছে বুলি হত্যাৰ ফটোৱা জাৰি কৰিলে আৰু ভাৰততো কিতাপখন নিষিদ্ধ কৰিলে। নহয়নে?

ঃ হয়।

ঃ তছলিমা নাচৰিণ বোলা লেখিকাগৰাকীয়ে তেওঁৰ নিজৰ দেশত অন্য এটা ধৰ্মীয় সম্প্ৰদায়ৰ মানুহক কৰা অত্যাচাৰৰ কথা লেখাৰ বাবে দেশৰ পৰাও খেদালে আৰু মৃত্যুদণ্ডৰ ঘোষণা কৰা নাইনে?

ঃ প্ৰশ্নৰ কথা নাই কৈ যাওক।

ঃ আনকি কমিউনিষ্ট চৰকাৰ থকা পশ্চিম বংগয়ো সেই লেখিকাক আশ্ৰয় দিব নোৱাৰিলে কিতাপখনো নিষিদ্ধ কৰিলে। নকৰিলেনে?

ঃ কৰিলে।

ঃ কিন্তু সেই একেই ভাৰতীয় কমিউনিষ্টবোৰে লাগে পশ্চিমবংগৰ হওক বা অসমৰেই হওক হিন্দু দেৱ-দেৱীৰ নগ্ন ছবি আঁকি ৰাজহুৱা প্ৰদৰ্শনিৰ পাছতো মানুহে আপত্তি কৰিলত ক'লে বোলে সেয়া শিল্প কৰ্ম আৰু শিল্পী সাহিত্যিক সাংবাদিতৰ স্বাধীনতাত হস্তক্ষেপ কৰিব নালাগে।

ঃ হয় হয়, এইটো আপুনি একেবাৰে থিক কথা কৈছে।

ঃ থিক কথা নহয় আমাৰ মনৰ কথা কৈছে।

ঃ আৰু সেইবাবেইতো তেখেতে নিজকে 'আউটস্পকেন' মানুহ বুলি কৈ লৈছে।

এটা হুলস্থুলীয়া পৰিৱেশ হ'ল। অন্য একো নহয় বিবস্ত্ৰা সৰস্বতীৰ ওপৰত প্ৰত্যেকেই কাৰোৱে কথা কোনেও নুশুনি নিজৰ নিজৰ মতামত দিবলৈ ধৰিলে। তেতিয়াও বেলি ভালকৈ ওলোৱাই নাই মাত্ৰ নৈষ্ঠিক বৃদ্ধা হিন্দু তিৰোতা এগৰাকীয়ে গা ধুই অহাৰ পাছতে কপালত সেন্দুৰৰ ফোটটো গোলকৈ লোৱাৰ দৰে পুব ফালৰ আকাশত সূৰ্যটো ৰঙা ফোটটোৰ দৰে লাগি ৰৈছেহে, পোহৰ বিকিৰণ কৰিবলৈ পোৱাই নাই কিন্তু নগ্ন সৰস্বতীৰ চাৰিওফালে তিনিশমান মানুহ গোট ফালেই নহয়। গোট খোৱা মানুহবোৰ যে সকলো প্ৰাতঃ ভ্ৰমণৰ কাৰণেই আহোতেহে ঘটনাটো দেখি ৰৈ গৈছে সেইটোও সম্পূৰ্ণ শুদ্ধ নহয়। কাৰণ প্ৰথমতে প্ৰাতঃ ভ্ৰমণলৈ অহা মানুহেই জমা হৈছিল যদিও পাছত কিন্তু মানুহৰ জুম দেখি সেই অঞ্চলটোৰ পৰা "কিনো হৈছে" চাবলৈ ওলাই আহিছে। অকল গোট খোৱাতেই শেষ হোৱা হ'লেও কথা নাছিল— পিছে প্ৰত্যেকেই নিজৰ অনুমান আৰু কল্পনা শক্তিৰ পৰিচয় দিবলৈ ধৰিছে নহয় সৰস্বতীৰ বস্ত্ৰহৰণৰ ওপৰত। কথাটো এনেকুৱা কৰি পেলালে মানুহবোৰে যেন সৰস্বতী নামৰ সঁচা সঁচি ধুনীয়া গাভৰু ছোৱালী এজনীৰহে কোনোবাই কাপোৰবোৰ টানি খুলি নাঙঠ কৰি দিলে আৰু তাই বিবস্ত্ৰাৰূপত কেনিও যাব নোৱাৰাত মুখ-চকু ঢাকি বহি আছে আৰু অইনে দেখে বুলি চাৰিওফালে এই মানুহবোৰে আগুৰি আখন ডাঠ বেৰ কৰি দিছে।

ঃ আচলতে কোনো ছিৰিয়াছ কথা নহয় বুইছেনে নাই নাইট ছুপাৰবোৰ আহি নাথাকে জানো। কিবা কাৰণত কাৰোবাৰ পেচাব কৰিব লগাত চাগৈ গাড়ী এখন ৰখাইছিল, কোনোবা নামিল আৰু সেই পকা বেৰখনৰ কাষত পেচাব কৰি বাছলৈ উঠিবলৈ আহোতে টান মাৰি সৰস্বতীৰ গাৰ পৰা ধেমালিতে শাৰী টুকুৰা লৈ আহিল।

ঃ আপুনি কথাটো তেনেই সহজভাবেৰে ক'লেহে! তেনেকৈ টান মাৰি মানে আজুৰি নিওতে প্ৰতিমাখন উবুৰি হৈ পৰি নাথাকিলেহেঁতেননে?

ঃ মই আউটস্পকেন মানুহ, কথাটো ক'লে হয়তো বেয়াও পাব পাৰে কোনোবাই, কিন্তু অসমত বহুত হুজী আৰু আই এছ আই সোমাই পিনাপিন দি ফুৰিছে। কেলেই কেইবাৰ পাকিস্তানী পতাকা উৱালে এই দুমাহৰ ভিতৰত? গতিকে তেনে হুজী বা আই এছ আইৰ মানুহে সাম্প্ৰদায়িক হাংগামা লগাবৰ বাবে সৰস্বতী গোসাঁনীৰ বস্ত্ৰহৰণ কৰি নগ্ন কৰি থৈছে সেই গোসাঁনীৰ নগ্ন চিত্ৰ অকা ফিদা হুছেইনৰ দৰে।

ঃ আপোনাৰ সন্দেহটো বৰ অমূলক নহয় যদিও মই আকৌ

ঃ হেৰি, ৰবছোন ৰব, প্ৰসংগত কথা এটা মনত পৰাতেই কৈ থওঁ পাছত পাহৰিও যাব পাৰো।

ঃ কি কথাহে?

ঃ সেই তেখেতে যে ক'লে মকবুল ফিদা হুছেইনে হিন্দুৰ দেৱ-দেৱীৰ নগ্ন চিত্ৰ আঁকি ভাল পায় বুলি সেইজন শিল্পীয়ে জানো কেতিয়াবা হজৰত মহম্মদ বা ফাটেমা বিবিৰ বা মেৰীৰ নগ্ন চিত্ৰ আকিছেনে?

ঃ তাকেইতো মই অথনিৰে পৰা কৈ আছো।

ঃ কিন্তু ৰব মোৰ কথাটো শেষ হোৱা নাই। সেই সুবিধাবাদী ধূঢ়ন্ধৰ শিল্পীজনাই কিন্তু জৰুৰীকালীন অৱস্থাত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক দশভূঁজা দেৱী দুৰ্গা কৰি আঁকিছিল।

ঃ হয়, আৰু সেইবাবেই লুভীয়া তেলীয়া বুঢ়াটোক ৰাজ্যসভাৰ সাংসদ কৰিছিলহে।

ঃ এতিয়া মই কওনে আদা কোৱা কথাটো?

ঃ কওক।

ঃ তেখেতে যে কৈছে বোলে সাম্প্ৰদায়িক হাংগামা লগাবৰ বাবে হুজী বা আই এছ আইৰ দুষ্কৃতিকাৰীয়ে সৰস্বতীৰ বস্ত্ৰহৰণ কৰি নাঙঠ কৰি থৈছে, মই যদি এনে এটা সন্দেহো কৰো ভুল হ'ব

দুষ্কৃতিকাৰীয়েও সেই একেটা উদ্দেশ্যৰ বাবেই সৰস্বতীক নগ্ন কৰি থৈছে। ভাবিব নোৱাৰিনে?

ঃ নোৱাৰি।

ঃ কিয়?

ঃ কাৰণ নিজে গোসাঁনী বুলি বিশ্বাস কৰা দেৱী এগৰাকীৰ কদাপিও বস্ত্রহৰণ কৰিব নোৱাৰে— তাতে ধৰ্মীয় মৌলবাদীয়ে। অসম্ভৱ।

ঃ কিন্তু আজিৰ তাৰিখত ৰাজনীতি কৰাবোৰৰ বাবে একো অসম্ভৱ নাই জানেনে?

ঃ উদাহৰণ এটা দিব নেকি?

ঃ কি উদাহৰণ লাগে— নিজেই জানো আমি সকলোৱে! গোড়া মুছলমান মৌলবাদী সন্ত্ৰাসবাদী বুলি কোৱা আল কায়দা আৰু তালিবান বোৰেই কৰাচীৰ মছজিদত নামাজ পঢ়ি থাকোতেই বোমা বিস্ফোৰণত ভাগি যোৱা নাইনে?

ঃ গতিকে সন্ত্ৰাসবাদী সন্ত্ৰাসবাদীয়েই বুইছে, তাতহিন্দু-মুছলমান বুলি জাত নাই। পিছে এটা কথা হয় যে আজি গোটেই বিশ্বতেই এই মুছলমান সন্ত্ৰাসবাদীবোৰে সন্ত্ৰাসৰ সৃষ্টি কৰাদি অন্য কোনো সন্ত্ৰাসবাদীয়ে সিমান পৰিচয় নাই পোৱাগৈ।

কথাবোৰ যে সভাত কোনোবা এজনে বক্তৃতা দিয়াদি দিছে আৰু বাকীবোৰে শ্ৰোতাৰ দৰে শুনিছে তেনে হোৱা নাই। কাৰণ সেই নগ্ন সৰস্বতীৰ চাৰিওফালে জমা হোৱা মানুহবোৰৰ ভিতৰত চাৰিজন, ছজন, দহজনে নিজৰ নিজৰ ধাৰণাৰে বেলেগে বেলেগে কথা পাতিছে বাবে কোনে কি কৈছে কোনেও মনযোগেৰে শুনা নাই। কেৱল নিজে নিজেই কৈছে আৰু হয়তো ওপৰা ওপৰিকৈ চিঞৰ-বাখৰ কৰি কোৱাৰ বাবে নিজে কোৱা কথাই নিজৰ কাণতেই সোমোৱা নাই।

ঃ আজি পগলা-পাগলীকেটাও মন কৰিছেনে? নাইযে ইয়াত!

ঃ হয়, কথাটো আপুনি কলতহে ভাবিছো।

ঃ আগতেতো সে ট্ৰেন্সপৰ্টৰ বাৰাণ্ডাত দুজনী আৰু এই জলপান ৰেস্তোৰাঁৰ বাৰাণ্ডাত বুঢ়া পাগল এটা শুই থকা আমি সদায় নেদেখোনে?

ঃ আপুনি ঠিক কথা এটাকে আঙুলিয়াই দিছে আমি সদায় মৰ্ণিং ওৱাকত আহোতে দেখা পাগল-পাগলীকেইজনী নাই দেখোন।

ঃ দেখা দেখি কতা— পগলাই হওক বা পাগলীয়েই হওক আশে পাশে মানুহ থাকিলেনো কোনোবাই সৰস্বতী গোসাঁনীৰ বস্ত্ৰ হৰণ কৰিব পাৰিলেহেঁতেননে?

ঃ নহয় নহয় আমি সদায় যে দেখো সিহঁতক সেইটো কথা নহয় প্ৰায়েই দেখো বুলি কওক। সদায় একে ঠাইতে নেদেখো-প্ৰায়েই দেখো।

ঃ আপোনাৰ এইটো কথাই মোক অন্য এটা কথা মনত পেলাই দিলে, কওনে?

ঃ কওকচোন বাৰু আমাৰো মনত পৰক।

ঃ সেই গাভৰু পাগলীজনীক যে চবেই শ্ৰীদেৱী বুলি মাতে!

ঃ হয়। তাইক দেখিলেই ধৰিব পাৰি যে তাই কোনোবা ভাল ঘৰৰ ছোৱালী আছিল। লেতেৰা-পেতেৰা হৈ থাকে যদিও মুখৰ গঢ়টো মন কৰিছেনে?

ঃ সেই শ্ৰীদেৱীৰ ঘটনাটো পাহৰিলে জানো দুবছৰ মানৰ আগৰ?

ঃ কোনটো ঘটনা?

ঃ কেলেই ৰাতি যে হিন্দী লাইব্ৰেৰীৰ বাৰাণ্ডাত...

ঃ অ' হয় হয় হেৰি, এখেতে কোৱা ঘটনাটো মনত পৰা নাইনে?

ঃ কোলেই নাই পৰা। কমিউনিষ্ট নাট্যকাৰজনে যে ৰাতি গুৱাহাটীৰ পৰা অহা গাড়ীত আহি ইয়াত নামোতে বৰষুণ দিলে

ঃ আৰু যে দৌৰা-দৌৰিকৈ বৰষুণৰ পৰা বাচিবলৈ হিন্দী লাইব্ৰেৰীৰ বাৰাণ্ডাত উঠিলগৈ।

ঃ তাতে যে শ্ৰীদেৱীও শুই আছিল।

ঃ তাকে দেখি যে শেষনিশা ডেকা কমিউনিষ্ট নাট্যকাৰৰ ৰোমান্স জাগিল

ঃ আৰু যে জোৰ জবৰদস্তি শ্ৰীদেৱীৰ লগত প্ৰেমকাৰ্য কৰি থাকোতে বিজুলী ঢেৰেকণীৰ পোহৰত বাছৰ যাত্ৰী থৈ ঘূৰি অহা ৰিআৱালাৰ চকুত পৰিল।

ঃ এস কিয় মনত নাই হেৰি? পিছে কথাটোনো কি প্ৰসংগত ক'লে?

ঃ নহয় মই ক'ব খুজিছো যে পাগল-পাগলী মানুহকেটা যে সদায় এই দুখন বাৰাণ্ডাতে থাকে সেইটো নহয়। সিহঁতে বাৰাণ্ডা সলাই সলায়ো থাকে।

ঃ বৰ বৰ, সেই কমিউনিষ্ট নাট্যকাৰক জানো এতিয়া ইয়াত দেখিছে কওকচোন!

ঃ নাই দেখা। নাথাকে নেকি?

ঃ এ বেচেৰাই এতিয়া কান্ধত বেগ এটা ওলোমাই নাটকৰ প্ৰশিক্ষণ দি ফুৰে। খাবলৈয়ো ফ্ৰি পায়, প্ৰেম কৰিবলৈয়ো ফ্ৰি পাই নাটকৰ স্কুলৰ ছাত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ গাভৰু মাকক, এগৰাকীৰ তেওঁৰ ফালৰ ল'ৰা এটিও আছে।

ঃ সেইজনেই জানো বেনামী চিঠিৰে ঘৰে ঘৰে টকা দাবী কৰা নাছিল?

ঃ সেই বাবেইতো বেচেৰাই অজ্ঞাতবাস কৰে আঁতৰত।

ঃ আচলতে আমি কথাটো কিহৰ পৰা উলিয়াইছিলো?

ঃ এই যে পগলাকেটা বাৰাণ্ডাত নাই!

ঃ লগতে আৰু এটা কথা মনত পৰিছে জানেনে। সেই যে শ্ৰীদেৱীৰ কেঁচুৱা এটা হৈছিল, তিনিদিন থাকি যে মৰি থাকিল!

ঃ তাই যে মৰা কেঁচুৱাটোৰ মুখতযে পিয়াহটো গুজি থৈছিল!

ঃ বিপদজনক কথাটো আছিল যে সেইকেদিন তাইক চবেই বৰ আমনি কৰিছিল— কেঁচুৱাটোৰ বাপেক কোন সুধি সুধি!

ঃ ছোৱালীজনীৰ পঢ়া-শুনা আছিল যেন লাগেহে!

ঃ কিহৰ পৰা অনুমান কৰিলে বাৰু আপুনি?

ঃ তাইক যে মানুহবোৰে জোকাই জোকাই কেঁচুৱাটোৰ বাপেক কোন সুধি আছিল— তাই কি উত্তৰ দিছিল মনত নাই!

ঃ কেলেই মনত নাই হয়নে। সেইকেদিন মই যে ভয়তেই এইফালে মৰ্ণিং ওৱাক কৰিবলৈ নালাগে এনেয়েও অহা নাছিলো।

ঃ সেই তাইৰ উত্তৰটোৰ পৰা মই অনুমান কৰিলো তাইৰ যে পঢ়া শুনা আছে বুলি। যেয়ে সোধে কেঁচুৱাটোৰ বাপেক কোন বুলি তাকে কয় "তুমিয়েই বাপেক" বুলি।

ঃ হয়, কথাটো মানে ছোৱালীজনীৰ উত্তৰটো অৰ্থবহ আছিল। ৰাতিৰ আন্ধাৰত তাইৰ দেহৰ ওপৰত কিবা এটাই মাত্ৰ অত্যাচাৰ কৰেনে?

ঃ মদাহী আৰু কমিউনিষ্টৰ বাবে সাকৰবাদী চিন্তা থাকে। আৰু সেইবাবেই বহুতে কেইটামান মানুহৰ নাম লৈছিল ফুচফুচাই।

ঃ এটা নাট্যকাৰ, দুটা মদাহী, এটা মাইক্ৰফোন পালেই শোষক-শাসকৰ কথা কোৱা, বোলে সিহঁতৰ সন্মিলিত প্ৰচেষ্টাতেই সেই শ্ৰীদেৱী তৃতীয়বাৰৰ বাবে মাতৃ হ'ল। গতিকে তাই কৈছিল তুমি বাপেক বুলি।

ঃ আনকি তাই আমাৰ নিচিনা বুঢ়া মানুহকো "তুমিয়েই এইটো ল'ৰাৰ বাপেক" বুলি কৈছিল নহয়।

ঃ এনেয়েই মানসিক ৰোগী তাতে ৰাতিৰ অন্ধকাৰত তাইক বলাৎকাৰ কৰা পুৰুষৰ বয়সনো তাই জানিব কেনেকৈ, চেহেৰানো চিনিব কেনেকৈ?

ঃ এই হিন্দুবোৰে আটাইতকৈ বেছি পূজা-পাতল উৎসৱ মন কৰিছেনে?

ঃ গৰমেণ্টে আইন কৰি কিছুমান উৎসৱ বন্ধ কৰি দিব লাগে।

ঃ আইন কৰিবনে! আপুনি কি কৈছে আইন কৰিব! হেৰি পূজা-পাতল, উৎসৱ যিমান বেছি হয় গৰমেণ্টে সিমান ভাল পায়।

ঃ কথাটো মিছা নহয়, মন কৰিছেনে কাহানিও নাম নুশুনা কিছুমান গোষ্ঠীৰ কিবা দেৱ-দেৱী, বীৰ-বীৰাংগনা, সতী-সাধুৰ নামতো আজিকালি দিৱস হ'ল আৰু চৰকাৰী বন্ধও হ'ল।

ঃ ৰবচোন বৰ বৰ, ইমান চিঞৰ-বাখৰ কৰিছে কেলেই?

হয়, গোটখোৱা মানুহবোৰে প্ৰথমতে কথাহে পাতিছিল যদিও লাহে লাহে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। কিন্তু চিঞৰ-বাখৰ কৰাৰ অৰ্থ কি? প্ৰতঃ ভ্ৰমণলৈ অহা মানুহবোৰ বয়সস্থ মানুহ, ডেকা-গাভৰু বা ছাত্ৰ-ছাত্ৰী নহয় যে সৰু কথা এটাতে চিঞৰ-বাখৰ লগাব, আন্দোলন কৰিব, আশী লাখ বিদেশী আছে বুলি তালফাল লগাই "আহ ঐ আহ" বুলি দাঁতে মতা দি মাতিব।

ঃ হেৰি, আমিনো ইমান চিঞৰ-বাখৰ কিয় কৰিছোহে?

ঃ চিঞৰ-বাখৰ কৰিছো মানে?

ঃ কথাটো কিন্তু বৰ লঘুৱাই দিব লগীয়া কথা নহয়। লাইটলি নল'ব কথাটো?

ঃ কিনো গুৰুত্বপূৰ্ণ কথা বাৰু? আলিৰ দাঁতিত মাটিৰ মূৰ্তি এটা থৈ দিলে। ৰাতি সেইটো মূৰ্তিৰ গাৰ কাপোৰখন বতাহতো উৰি যাব পাৰে বা কোনোবাই টানি এৰুৱাই দিব পাৰে

ঃ এৰা, তাতনো ইমান চিঞৰ-বাখৰ হোৱাৰ কাৰণ কি? সেইখন বিসৰ্জন দিয়া মাটিৰ প্ৰতিমাহে, জীয়া গোসাঁনী এজনী নহয় নহয়।

ঃ আপোনালোকে তেনেকৈ ক'লেই হ'বনে! কথাটো ধৰ্মীয় কথা। ধৰ্মক অপমান কৰা হৈছে।

ঃ কোনোবাই ইনটেন্‌চনেলী আমাৰ সৰস্বতী গোসাঁনীক নাঙঠ কৰিছে বস্ত্ৰহৰণ কৰি।

ঃ তেনেহ'লে নাঙঠ গোসাঁনীকেনো নোসোধে কেলেই বোলে আপোনাৰনো কোনে বস্ত্ৰহৰণ কৰিলে কওকচোন।

ঃ কথাটো পেংলাইলৈ গ'লগৈ।

ঃ এই সোপাটিলাৰ বাবেই হিন্দু ধৰ্মক কোনেও আজিকালি কেয়াৰ নকৰা হৈছে। ৰ'ব বৰ বেছি দিন

নাই, বাংলাদেশী পাকিস্তানী হুজী আই এছ আইৰ লগ লাগি মন্দিৰ নামঘৰবোৰ ভাঙিবলৈ ধৰিব।

ঃ আপুনি বৰ সঠিক কথা এটা কৈছে। কেলেই আলফাই কামাখ্যা মন্দিৰটো উৰাই দিয়াৰ ভাবুকি দিয়া নাছিলনে?

ঃ মোক আপোনালোকে নাস্তিক বুলি নাভাবিব বা ধৰ্মদ্ৰোহী বুলিও নাভাবিব কিন্তু নালাগিবলগীয়া কথাত আমি বৰ বেছিকৈ লাগিবলৈ লৈছো নে কি কয় খুৰীদেউ।

ঃ সাতসত্তৰ বছৰ হ'লহি মোৰ। আমিও স্কুলত পঢ়িছিলো, পূজাও পাতিছিলো কিন্তু গোসাঁনীক খোল পটুৱা পেলোৱাদি এনেকৈ আলিৰ দাঁতিত পেলোৱা দেখা নাছিলো।



ঃ দুৰৱাণীয়ে বৰ সঁচা কথা এটা ক'লে। আৰু এটা কথা আপুনি মন কৰিছেনে? মোৰো বয়স এতিয়া পয়সত্তৰ বছৰ। ময়ো আমাৰ কলেজৰ জেনেৰেল ছেক্ৰেটৰী আছিলো। তেতিয়াৰ দিনতেই আমাৰ গাৰ্লছ কলেজত চাৰে চাৰিশ ছোৱালী আছিল। আমাৰ দিনৰ প্ৰতিমাবোৰৰ মাটি আৰু ৰঙেৰেই গাৰ আভৰণ আঁকি দিয়া নাছিলনে? আজিকালিৰ প্ৰতিমাত সঁচা কাপোৰ, সঁচা গহণা, সঁচা অলংকাৰ, আজিকালি প্ৰতিমাই যদি খোজ কাঢ়ি পাৰিলেহেঁতেন তেনেহ'লে সৰস্বতী পূজাৰ দিনা ল'ৰাই ছোৱালী জোকোৱাৰ দৰে বা জোৰ পাতি ৰেস্তোৰাঁলৈ যোৱাৰ দৰে সৰস্বতী গোসাঁনীকো জোকালেহেঁতেন, নদীৰ বালিলৈ নিলেহেঁতেন। মাটিৰ প্ৰতিমানে তেজ মঙহৰ লাৱণ্য গাভৰু ধৰিবই নোৱাৰি।

ঃ কথাটো হয়। এই খৰচ-বৰচ কৰি মাটিৰ প্ৰতিমাখনত সিমান দামী শাৰীখন কিয় মেৰাব লাগে। আৰু শাৰীখন এৰুৱাই নিলে বাবেহে আমি নগ্ন দেখিছো সৰস্বতী গোসাঁনীক।

ঃ আপোনালোকে চৰকাৰী দলবোৰৰ দৰে গা সৰা কথা কৈছেহে।

ঃ এৰা, এখেতসকলে যেনেদৰে উলাই কৰি কথাবোৰ পাতিছে যেন অকণো ক'তো ভাবিবলগীয়া একো হোৱাই নাই। হেৰি! ধৰ্মত হাত দিছে বুইছে ধৰ্মত হাত দিছে। কোনোবাই বেয়া পালেও কচবই লাগিব যে এই কামটো হয় হুজী, নহয় আই এছ আই, নতুবা বাংলাদেশী বা মুছলমান মৌলবাদী উগ্ৰপন্থীয়ে কৰিছে। কি কয়?

ঃ কথাটো হয় যদিও ইমান চিঞৰ-বাখৰ কৰি কোৱাটো উচিত নহয় কাৰণ এই মানুহবোৰৰ মাজত মুছলমান মানুহো থাকিব পাৰে নহয়। তেওঁলোকক আঘাত কৰা নহ'বনে?

ঃ সেয়া সেয়া, আপুনি একেবাৰে ভোট বিচৰা দলৰ দৰে কথা কৈছে।

ঃ তেখেতেনো মুছলমান মানুহক ক'ত দোষ দিলে? তেখেতে হুজী, আলকায়দা, ধৰ্মীয় সন্ত্ৰাসবাদী আৰু বাংলাদেশীৰ কথাহে কৈছে! মুছলমানৰ কথা কোৱা নাই নহয়। আৰু তাতো যদি কোনোবাৰ গাত লাগে বুজিব লাগিব তেওঁ সেইবোৰৰ মাজৰ বা সমৰ্থক।

ঃ সেই কাৰণেহে মই কৈছো যে ভোটৰ ব্যৱসায় কৰা ৰাজনৈতিক দলৰ মানুহৰ দৰে কৈছে বুলি বাংলাদেশী বুলি কাৰোবাক সন্দেহ কৰিলে, সোধ-পোছ কৰিলে চিধাই দেশত চিঞৰ-বাখৰ লগাই দিয়ে শিয়ালে হোৱা দিয়া দি বোলে বাংলাদেশীৰ নামত খিলঞ্জীয়া মুছলমানক হাৰাশাস্তি কৰা নচলিব। হয়নে?

ঃ কিয় নহয়নো বাৰু? মুঠতে দেশখন সেইবোৰেহে খাইছে।

ঃ ৰ'ব ৰ'ব আপুনি মই আমাৰ বৰঘৰতেই সংখ্যালঘু হ'বলৈ গৈ আছো দেই।

ঃ সৰস্বতী গোসাঁনীৰ বস্ত্ৰ হৰণৰ পৰা আমি গৈ গৈ মন কৰিলেনে কেতিয়াকে পলিটিকছ পালোগৈ?

ঃ আগত নিৰ্বাচন আহিছে কিন্তু, পাকিস্তানী পতাকা উৰুৱাৰ ইছ্যু হোৱাদি এই সৰস্বতীৰ বস্ত্ৰহৰণো যে ইছ্যু নহ'ব তাৰ কি নিশ্চয়তা আছে।

ঃ বিপদবোৰ তাতেহে হয়।

ঃ হেৰি, আমি এইখিনিৰ পৰা যাব লাগে। আমি মৰ্ণিং ওৱাক কৰিবলৈ আহি এইখিনিত জুম বন্ধাৰ কি অৰ্থ আছেহে— কিবা ডাঙৰ ঘটনা হৈছে বুলিহে ৰিউমাৰ ওলাবগৈ।

ঃ ঠিকেই কৈছে ঠিকেই কৈছে। এঅপ্ৰেছ বাছবোৰ আহিবলৈ লৈছে যেতিয়া ইয়াত জুম এটা দেখি শুনিব কিবা এটা আৰু প্ৰচাৰ কৰিবগৈ কিবা এটা— লাগে সৰস্বতী মাটিৰ প্ৰতিমাৰ বস্ত্ৰহৰণৰ ঠাইত সৰস্বতী বুলি কোনোবা গাভৰুৰ বস্ত্ৰহৰণ বুলিহে ক'বগৈ।

ঃ লগে লগে নাৰী সংস্থাবোৰে ৰাজপথত শোভাযাত্ৰা কৰিব, ধৰ্ণা দিব আৰু বা আছু, বিজেপি, প্ৰগতিশীল নাৰী সংঘই অসম বন্ধকে ঘোষণা কৰি দিব ছয়ত্ৰিশ ঘণ্টীয়া।

ঃ নকৰিব নুবুলিব, কৰিবই।

ঃ আৰু এটা কথা নহয়। মই নিজকেও সামৰি কৈছো দেই নিলগাই থোৱা নাই, আজি এমাহ মানৰ আগতে সৌ চাৰি আলিটোত মানুহ এটা ৰাতিৰ গাড়ীয়ে খুন্দিয়াই মাৰি থৈ যোৱা নেদেখিছিলোনে বাৰু? পুলিচে ঝামেলা কৰিব বুলি আমিতো কোনো সেই ঠাইত জুম বন্ধা নাছিলো।

ঃ হয় আকৌ। এতিয়া মাটিৰ পৰিত্যাগ কৰা প্ৰতিমাখনৰ পৰা কাপোৰখন এৰুৱাই নিয়া কথাটোৰ বাবে শ শ মানুহ গোট খাই আলোচনা কৰিছো, চিঞৰ-বাখৰ কৰিছো।

কেইজনমানে হুলস্থুল লগালত মানুহবোৰ লাহে লাহে সেই আঁহত জোপাৰ তলৰ পৰা যোৱাৰ কাৰবাৰ কৰিছিল। বিশেষকৈ মহিলাসকল আগবাঢ়িল কাৰণ মাটিৰ মূৰ্তি হ'লেও উন্মুক্ত বুকুখনৰ ওপৰত প্ৰতিমা হ'লেও পুৰুষবোৰে চকু থৰ কৰি যোৱা দেখি বুঢ়ীবোৰে অস্বস্তিবোধ কৰিছিল। থিক তেনেতে দুজনমানৰ চকু পৰিল পথাৰখনত। কুকুৰ কেইটামানে কিবা এটা টনা-আজোৰা কৰি আছে। এটাই কামোৰ মাৰি আগটোত ধৰি মূৰটো এচাৰি এচাৰি টানি নিয়ে আৰু অন্য এটাই ইটো আগত ধৰি বিপৰীত ফালে টানে। আৰু দুটাই মাজত কামোৰ মাৰি ধেনু ভিড়িয়াকৈ টানে গোঁ গোঁৱাই।

ঃ হেৰি হেৰি, চাওক সেয়া। এই সৰস্বতী গোসাঁনীৰ বস্ত্ৰহৰণ কোনে কৰিলে সেয়া চাওক।

ঃ আমি আগতেই কথাটো ভাবিব লাগিছিল যে এই বাৰাণ্ডাত শুই থকা চেৰেলা কুকুৰকেইটানো আজি পুৱা কেনি গ'ল বুলি।

ঃ এ নহয় নহয়, সেই কুকুৰকেইটাই কামোৰা কামুৰি কৰি টনা আজোৰা কৰি থকা কাপোৰখন

গল্প

সৰস্বতী গোসাঁনীৰ শাৰীখন নহয়। সেইখন লেতেৰা কাপোৰ।

আহঁতজোপাৰ তলৰ পৰা তাৰ মানে বিবস্ত্ৰা সৰস্বতী গোসাঁনীৰ ওচৰৰ পৰা মানুহবোৰ গৈ ষ্টেট ট্ৰেন্সপৰ্ট ষ্টেচনৰ চোতাল গছকি কিনাৰ পালেগৈ। তাৰ পৰাই পথাৰখন আৰম্ভ হৈছে। মানুহবোৰ আগবাঢ়ি যোৱা দেখি কাপোৰ এখন লৈ টনা আজোৰা কৰি খেলি থকা কুকুৰকেইটাই কাপোৰখন মুখত লৈ পথাৰৰ মাজ পালেগৈ যেন সিহঁতৰ মুখৰ পৰা কাপোৰখন নিবলৈহে মানুহবোৰ গৈছে।

ঃ সেয়া চাওক, সেইখন এখন ফটা ছিটা লেতেৰা কাপোৰ নহয়নে? সেই ফটা ছিটা লেতেৰা কাপোৰখনহে সৰস্বতী গোসাঁনীৰ গাত দিবনে?

ঃ অৱশ্যে শাৰীৰ টুকুৰাই হয় পিছে মলিয়ন আৰু তেজৰ চেকা থকা।

ঃ নহয়, সেয়া গোসাঁনীৰ কাপোৰ নহয়। পিছে সেই সোধ পগলাই মন কৰিছেনে যে কুকুৰকেইটালৈ শিলগুটি দলিয়াই আছে।

ঃ এৰা, আমি কথাটো মনেই কৰা নাই, কিন্তু সোধ পগলানো ক'ৰপৰা ওলালহি? অথনিৰে পৰাতো দেখা নাছিলো আমি?

ঃ নহয় নহয়, এই পগলা পাগলীকেইটা কেতিয়াবা ট্ৰেন্সপৰ্ট অফিচটোৰ পিছফালেও থাকে ৰাতি।

ঃ ই আজিকালি গান্ধীৰ কথা নকয়নেকি?

ঃ হেৰা, হেৰা সোধ, তুমি সেই কুকুৰকেইটালৈ কিয় শিলগুটি দলিয়াইছা?

ঃ ঐ সোধ তই দলিয়াইছ কিয় কুকুৰলৈ?

ঃ "চেৰেলাকেইটাই গান্ধী মোৰ ছোৱালীজনীৰ কাপোৰখন টানি নি লৈ গ'ল গান্ধী।" সোধই কথাকেইটা কওঁতে কিন্তু কালৈয়ো চোৱা নাই। আৰু যে সি কুকুৰকেইটালৈ দলিয়াইছে আচলতে তাৰ হাতৰ দলিটো তাৰ পৰা চাৰি ফুটমানো যোৱা নাই। শিলগুটিটো লয় আৰু মুখৰ আগত ঠেকেচা মাৰি দিয়ে, উফৰি পথাৰত পৰে। কিন্তু তাৰ পৰা দহ মিটাৰ মান আঁতৰতহে কুকুৰকেইটা সোধই কোৱামতে তাৰ জীয়েকৰ কাপোৰখন কামুৰি কামুৰি টনা আজোৰা কৰি আছে। সোধ পগলাইনো কাক জীয়েক বুলি কয়? সেই যে শ্ৰীদেৱী পাগলীক আকৌ। আচলতে জীয়েক হয় জানো? নহয় নহয়, জীয়েক নহয় মাত্ৰ ইয়াত গোট খাই থাকোতেহে শ্ৰীদেৱীক সি জীয়েক কৰি ল'লে। মানে কয় জীয়েক বুলি। কিবা আনি দিয়ে। যেনে হোটেলৰ পিছফালে ভগা ড্ৰামটোত যে আধা খোৱাবোৰ পেলায় তাৰ পৰা বোটোলোতে যদি চিংৰাৰ টুকুৰা বা মিঠাইৰ টুকুৰা পায় কাগজত বান্ধি শ্ৰীদেৱী জীয়েকলৈ লৈ আনে। কোন ক'ৰ থিক নাই কিন্তু ইয়াত বাপেক-জীয়েক হ'ল।

ঃ ঐ সোধ তোৰ জীয়েৰৰ কাপোৰখন কুকুৰে কেনেকৈ নিলেনো?

ঃ সিহঁতে তাইৰ গাৰ পৰা আজুৰি দলিয়াই দিছিল গান্ধী।

ঃ কোনে?

ঃ গুণ্ডা মদাহীকেইটাই গান্ধী।

ঃ কেতিয়া?

ঃ ৰাতি।

মানুহবোৰৰ এটা সন্দেহ হ'ল।

ঃ ক'ত আছেনো শ্ৰীদেৱী?

ঃ এয়া চাওকহি গান্ধী।

হয়। সোধ পগলাৰ পিছে পিছে মানুহবোৰ ট্ৰেন্সপৰ্ট ষ্টেচন অফিচৰ পিছফালে গ'ল। কি দৃশ্য দেখিলে মানুহবোৰে? কি দৃশ্য দেখিলে বাৰু? শ্ৰীদেৱী বুলি কোৱা গাভৰু বয়সৰ পাগলীজনী বাৰাণ্ডাটোত ওপৰলৈ মুখ কৰি পৰি আছে। তাইৰ চকু দুটা আধা মেলা হৈ আছে। মৰিলে নেকি? নাইমৰা। কাৰণ তাইৰ পেটটো উঠা নমা কৰি আছে।

ঃ গান্ধী, তিনিটা মদাহীয়ে তাইক চোচোৰাই আনি গান্ধী ইয়াত বগৰাই লৈ তাইক আকৌ পাপ কৰিলে গান্ধী।

ঃ তাইনো ক'ত আছিল?

ঃ মোক সৌ পানীৰ টেংকীত বান্ধি থ'লে গান্ধী মুখত সোফা দি।

ঃ পাছত?

ঃ তাইৰ গাৰ কাপোৰ দলিয়াই আজুৰি গান্ধী তাইক পাপ কৰিলে। তাই লেবেজান হৈ আছে গান্ধী সেয়া। তাই নাঙঠ হৈ পৰিল। কুকুৰবোৰে গান্ধী কাপোৰবোৰ কামুৰি লৈ গ'ল।

ঃ কিন্তু তাই গাত এইখন ক'ৰ কাপোৰ?

ঃ সেই সৰস্বতী গোসাঁনীৰ গাৰ শাৰীখন খুলি আনি গান্ধী মই তাইৰ গাত ঢাকি দিছো।

আচৰিত। তাৰ মাজতো কিন্তু কিছুমানৰ হাঁহি উঠিল আৰু কোৱাকুই কৰিলে বোলে সৰস্বতী গোসাঁনীৰ বস্ত্ৰহৰণ তেতিয়াহ'লে সোধ গান্ধীয়েহে কৰিলে।

মানুহবোৰৰ বোধহয় লাজ লাগিল কাৰণ নগ্ন অৰ্থাৎ বস্ত্ৰহৰণ কৰা সৰস্বতী গোসাঁনীৰ চাৰিওফালে জুম বন্ধা এই মানুহবোৰে শ্ৰীদেৱীৰ নাঙঠ চেহেৰাটো দেখি বোধহয় লাজ কৰিলে। তৎক্ষণাৎ গুৰৰ লদা এটাত জমা হৈ থকা পৰুৱাবোৰ ছুই দিলে পিনাপিন দিয়াদি ঠাইতে পিনাপিন দি আঁতৰি গ'ল। বিশেষকৈ মাইকী মানুহকেইজনীৰ বেছি লাজ লাগিল। কাৰণ শ্ৰীদেৱীৰ কৰঙনৰ তলত পকা মজিয়াত তেজ পৰি আছিল।প্লপ্লপ্ল **লেখকৰ ঠিকনা—**

**হেমচন্দ্ৰ গোস্বামী পথ, দেৰগাঁও।**

# দিগন্তত চকু থৈ কোন তুমি

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

দিগন্তত চকু থৈ
কোন তুমি
দিশহাৰা দুপৰৰ
বিষণ্ণ কবি

তোমাৰ নিকৰুণ নিৰ্মোহ
চকুৰ দৃষ্টিত পুৰাৰ সূৰুযৰ
আৰক্তিম চকুপানী

কোন তুমি কবি

ধুমুহাৰ প্ৰসাৰিত দুহাতত
লিখি থৈ যোৱা
হৈ কবি
সময়ৰ আমোঘ অভিঘাত
জন্ম জন্মান্তৰৰ প্ৰজন্মৰ
দুহাতত তুলি দিবলে’
লিখি থৈ যোৱা
হে কবি
তোমাৰ চেতনাৰ
বিননি



তুমি কোন কবি

তুলি লোৱা
তুলি লোৱা
প্ৰতীক চিত্ৰকপেৰে
এচলু অৰ্থঘন বাণী
তুমি লিখি থৈ যোৱা
সুৰভি হাতৰ আখৰেৰে
জীৱনৰ অন্তহীন বিৰহ।